# **REGIONAL NEWS UNIT**
# AKASHVANI, GUWAHATI

0000000000

**Date :** 25-01-2025
**Time :** 21-25 Hrs

***Assamese Night Bulletin***

- - - - - - - - - - - - - -

সংসদত উত্থাপিত এখন দেশ, এটা নিৰ্বাচন বিধেয়কখনে সুপ্ৰশাসনৰ সংজ্ঞা নতুনকৈ নিৰ্ধাৰণ কৰিব। ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে আজি গণৰাজ্য দিৱসৰ প্ৰাক সন্ধিয়া ৰাষ্ট্ৰক উদ্দেশ্যি ভাষণ দি এইদৰে প্ৰকাশ কৰে। তেওঁ কয়, যে এখন ৰাষ্ট্ৰ এটা নিৰ্বাচন পৰিকল্পনাই প্ৰশাসনলৈ সুস্থিৰতা আনিব, নীতি স্থবিৰতা দূৰ কৰিব, সম্পদৰ বিচ্যুতি ৰোধ কৰিব আৰু বিত্তীয় বোজা লাঘৱ কৰিব। এনেধৰণৰ ব্যাপক সংস্কাৰৰ বাবে সাহসী দৃষ্টিভংগীৰ প্ৰয়োজন বুলি ৰাষ্ট্ৰপতিগৰাকীয়ে মন্তব্য কৰে। শ্ৰীমতী মুৰ্মুৱে কয়, যে দেশত ১৯৪৭ চনৰে পৰা ভাৰতীয় জনসাধাৰণৰ মাজত শিপাই থকা ঔপনিৱেসিক মানসিকতাৰ পৰিৱৰ্তনৰ বাবে শক্তিশালী প্ৰচেষ্টা চলি আছে। ভাৰতীয় দণ্ডবিধি, ফৌজদাৰী কাৰ্যবিধি আৰু ভাৰতীয় সাক্ষ্য আইনৰ ঠাইত ভাৰতীয় ন্যায় সংহিতা, ভাৰতীয় নাগৰিক সুৰক্ষা সংহিতা আৰু ভাৰতীয় সাক্ষ্য অধীনিয়ম প্ৰণয়নৰ সিদ্ধান্ত এনে প্ৰচেষ্টাৰ অন্যতম বুলি শ্ৰীমতী মুৰ্মুৱে উল্লেখ কৰে।

তেওঁ কয়, যে নতুন ফৌজদাৰী আইন তিনিখনে শাস্তি প্ৰদানৰ পৰিৱৰ্তে ন্যায় প্ৰদানৰ বিষয়টো ফৌজদাৰী ন্যায় ব্যৱস্থাৰ মূল কেন্দ্ৰৰূপে পৰিগণিত কৰিছে। তেওঁ লগতে নতুন আইনকেইখনৰ মহিলা আৰু শিশুৰ বিৰুদ্ধে হোৱা অপৰাধ ৰোধ কৰাত সৰ্বাধিক গুৰুত্ব আৰোপ কৰা বুলি মন্তব্য কৰে। তেওঁ কয়, যে কেন্দ্ৰীয় চৰকাৰে দেশৰ ভাষীক বৈচিত্ৰৰ সংৰক্ষণৰ বাবে অসমীয়া, বাংলা, মাৰাঠী, পালী আৰু প্ৰাকৃত ভাষাক ধ্ৰুপদী ভাষাৰ মৰ্যাদা প্ৰদান কৰিছে। শিক্ষা সন্দৰ্ভত ৰাষ্ট্ৰপতি মুৰ্মুৱে কয়, যে চৰকাৰে এই শিতানত বিনিয়োগ বৃদ্ধি কৰিছে। ভাৰতে এলানি শৃংখলাৰ মাধ্যমেৰে অত্যাধুনিক গৱেষণাত অংশগ্ৰহণ বৃদ্ধি কৰিছে বুলিও তেওঁ মন্তব্য কৰে।

০০০

ৰাজ্যৰ যশস্বী নৃত্য শিল্পী, নৃত্যাচাৰ্য্য যতীন গোস্বামীলৈ চলিত বৰ্ষৰ পদ্মভূষণ সন্মান আগবঢ়োৱা হৈছে। ইয়াৰ লগতে সাহিত্য আৰু শিক্ষাৰ ক্ষেত্ৰলৈ আগবঢ়োৱা বৰঙণিৰ বাবে অনিল কুমাৰ বড়ো, গীতা উপাধ্যায় আৰু ডিমা হাচাও জিলাৰ প্ৰবীন লোকসংগীত শিল্পী জয়নাচৰণ বাথাৰী, কলাৰ ক্ষেত্ৰত ৰেবকান্ত মহন্তলৈ ২০২৫ বৰ্ষৰ পদ্মশ্ৰী সন্মান আগবঢ়োৱা হৈছে। এইবাৰ দেশৰ ৭ গৰাকী বিশিষ্ট ব্যক্তিলৈ পদ্ম বিভূষণ, ১৯ গৰাকীলৈ পদ্মভূষণ আৰু ১১৩ গৰাকীলৈ পদ্মশ্ৰী সন্মান আগবঢ়োৱা হৈছে। উত্তৰ পূৰ্বাঞ্চলৰ কেবাখনো ৰাজ্যৰ বিশিষ্ট ব্যক্তিয়ে এইবাৰ পদ্ম সন্মান লাভ কৰিছে। অৰুণাচল প্ৰদেশৰ সমাজকৰ্মী জুমদে য়'গাম গামলীঙলৈও পদ্ম সন্মান আগবঢ়োৱা হৈছে।

০০০

ৰাজ্যত গণৰাজ্য দিৱস উদযাপনৰ প্ৰস্তুতি সম্পূৰ্ণ হৈছে। গুৱাহাটীৰ খানাপাৰাৰ অসম পশুপালন আৰু পশু চিকিৎসা মহাবিদ্যালয় খেলপথাৰত হ'বলগীয়া কাৰ্যসূচীত ৰাজ্যপাল লক্ষ্মণ প্ৰসাদ আচাৰ্যই কাইলৈ পুৱা ৯ বজাত আনুষ্ঠানিকভাৱে ৰাষ্ট্ৰীয় পতাকা উন্মোচন কৰিব।

মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই কাইলৈ ডিব্ৰুগড়ৰ খনিকৰ খেলপথাৰত ৰাষ্ট্ৰীয় পতাকা উন্মোচন কৰিব। এই অনুষ্ঠানত কাইলৈ পুৱা ৬ বজাত দেশপ্ৰেমমূলক গীতৰ প্ৰচাৰেৰে গণৰাজ্য দিৱসৰ কাৰ্যসূচী আৰম্ভ হ'ব। পুৱা চাৰে ৮ বজাত মুখ্যমন্ত্ৰী ডঃ শৰ্মাই থানা চাৰিআলিত থকা জাতিৰ পিতা মহাত্মা গান্ধীৰ প্ৰতিমূৰ্তিত মাল্যাৰ্পণ কৰিব। পুৱা ৮ বাজি ৫৫ মিনিটত ছহিদ তৰ্পণ আৰু ৯ বজাত মুখ্যমন্ত্ৰীয়ে আনুষ্ঠানিকভাৱে ৰাষ্ট্ৰীয় পতাকা উন্মোচন কৰিব। ইয়াৰ পাছতে অন্যান্য কাৰ্যসূচীসমূহ অনুষ্ঠিত হ'ব।

ৰাজ্যৰ কেবিনেট মন্ত্ৰীসকলে বিভিন্ন জিলাত কাইলৈ ত্ৰিৰংগা পতাকা উন্মোচন কৰিব। গুৱাহাটী উচ্চ ন্যায়ালয়তো কাইলৈ ৭৬ সংখ্যক গণৰাজ্য দিৱস উদযাপন কৰা হ'ব। মুখ্য ন্যায়াধীশ বিজয় বিষ্ণয়ে পুৱা ৮ বজাত ৰাষ্ট্ৰীয় পতাকা উন্মোচন কৰিব। আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ চৌহদতো কাইলৈ গণৰাজ্য দিৱস উপলক্ষে ত্ৰিৰংগ পতাকা উন্মোচন কৰা হ'ব। আকাশবাণী গুৱাহাটীৰ অভিযান্ত্ৰিক শাখাৰ উপ-সঞ্চালকপ্ৰধান ৱালিউল্লাহ খানে ৰাষ্ট্ৰীয় পতাকা উন্মোচন কৰিব।

০০০

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে গণৰাজ্য দিৱসৰ লগত সংগতি ৰাখি আজি সশস্ত্ৰ বাহিনী আৰু কেন্দ্ৰীয় সশস্ত্ৰ আৰক্ষী বাহিনীৰ ৯৩ গৰাকী জোৱানক সাহসীকতাৰ বঁটা আগবঢ়ায়। ইয়াৰ ভিতৰত এঘাৰগৰাকীক মৰনোত্তৰভাৱে এই বঁটা প্ৰদান কৰা হৈছে। বঁটা লাভ কৰাসকলৰ ভিতৰত ১৪ গৰাকী শৌৰ্য্য চক্ৰ, এগৰাকীক সাহসীকতাৰ সেনা পদক, ৬৬ গৰাকীক সেনা পদক, দুগৰাকীক সাহসীকতাৰ নৌসেনা পদক আৰু ৮ গৰাকীক বায়ু সেনাৰ সাহসীকতাৰ পদক প্ৰদান কৰা হৈছে। মেজৰ মনজিত আৰু নায়ক দিলবাৰ খানক মৰনোত্তৰভাৱে কীৰ্তিচক্ৰ আগবঢ়োৱা হৈছে।

ইপিনে, উল্লেখনীয় সেৱা আগবঢ়োৱাৰ বাবে অসম আৰক্ষীৰ উপ-মহাপৰিদৰ্শক ইন্দ্ৰাণী বৰুৱালৈ ৰাষ্ট্ৰপতিৰ বিশিষ্ট সেৱা পদক আগবঢ়োৱা হৈছে। অসম আৰক্ষীৰ আন ১৬ গৰাকী বিষয়ালৈ উৎকৃষ্ট সেৱা পদক আগবঢ়োৱা হৈছে। এইসকল বিষয়া জোৱানৰ মাজত আছে-আৰক্ষী মহাপৰিদৰ্শক ৰফিউল আলম লস্কৰ, প্লেটুন কমাণ্ডাৰ প্ৰশান্ত হাতীবৰুৱা, উপ আৰক্ষী অধীক্ষক উপেন কলিতা, উপ-পৰিদৰ্শক খগেন্দ্ৰ ৰয়, অসম আৰক্ষীৰ উপ-পৰিদৰ্শক চিত্ৰমোহন ৰাভা, সহকাৰী উপ-পৰিদৰ্শক হেমেন ভূঞা, পৰিদৰ্শক বলোৰাম চাওদাং, হাবিলদাৰ হেৰেম্ব নাথ, উপ-পৰিদৰ্শক বিবেকানন্দ শৰ্মা, সহকাৰী উপ-পৰিদৰ্শক বিষ্ণুপ্ৰসাদ চেত্ৰী, হেড কণিষ্টবল দীপক কাকতি আৰু শংকু চৌধুৰী, নায়ক বাপধন ৰাজবংশী আৰু কণিষ্টবল গজেন মৰাণ।

০০০

অসম ৰাজ্যিক শিক্ষা পৰিষদে ৰাজ্যখনত পৰীক্ষাসমূহ নিয়াৰিকৈ অনুষ্ঠিত কৰাৰ বাবে বিভিন্ন জিলাৰ বিদ্যালয় পৰিদৰ্শক আৰু শিক্ষা বিভাগৰ সৈতে জড়িত ব্যক্তিক লৈ জিলা পৰ্যায়ত একোখন নিৰীক্ষণ কমিটি গঠন কৰিছে। ইয়াৰ দ্বাৰা পৰীক্ষা পৰিচালনাৰ ব্যৱস্থাটো স্বচ্ছ আৰু নিকা কৰি তুলিবলৈ বিচৰা হৈছে।

আকাশবাণী গুৱাহাটীৰ দৃষ্টিপাত অনুষ্ঠানত আজি অসম ৰাজ্যিক শিক্ষা পৰিষদৰ মণ্ডল এক আৰু দুইৰ পৰীক্ষা নিয়ন্ত্ৰক নয়নজ্যোতি শৰ্মা আৰু ৰঞ্জন কুমাৰ দাসে এই কথা প্ৰকাশ কৰে। তেওঁলোকে কয়, যে পৰীক্ষা ব্যৱস্থা নিকা কৰাৰ বাবে পৰীক্ষা চলি থকা সময়ত পৰীক্ষা কেন্দ্ৰসমূহত মোবাইল ফোনৰ ব্যৱহাৰ সম্পূৰ্ণৰূপে নিষিদ্ধ কৰা হ'ব। পৰীক্ষাৰ্থীক তালাচী চলোৱাৰ নামত যাতে তেওঁলোকক কোনো ধৰণে হাৰাশাস্তি কৰা নহয় সেই কথা লক্ষ্য ৰখা হব বুলিও তেওঁলোকে প্ৰকাশ কৰে। এই অনুষ্ঠানটোৰ আঁত ধৰে বাতৰি বিভাগৰ মুৰববী ৰাজীৱ লোচন বৰঠাকুৰে।

০০০

শুৱালকুছিৰ বুদৰাম মাধৱ সত্ৰাধিকাৰ মহাবিদ্যালয়ৰ বাণিজ্য বিভাগৰ উদ্যোগত অনুষ্ঠিত দুদিনীয়া ৰাষ্ট্ৰীয় পৰ্যায়ৰ আলোচনাচক্ৰৰ আজি সামৰণি পৰে। ভাৰতীয় সমাজ বিজ্ঞান অনুসন্ধান পৰিষদৰ  পৃষ্ঠপোষকতাত আয়োজিত Vikshit Bharat @2047: Progress in Motion শীৰ্ষক আলোচনাচক্ৰখনত ১৪ গৰাকী গৱেষক অধ্যাপক-অধ্যাপিকাই আলোচনাপত্ৰ পাঠ কৰে। দ্বিতীয় তথা অন্তিম দিনাৰ অধিৱেশনত গুৱাহাটী বিশ্ববিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যাপক নয়ন বৰুৱা উপস্থিত থাকে। সভাত মহাবিদ্যালয়ৰ অধ্যক্ষ ডঃ নিহাৰ ৰঞ্জন কলিতাই সামৰণি ভাষণ দিয়ে। অনুষ্ঠানত অধ্যাপক কুমুদ চন্দ্ৰ গোস্বামী, অধ্যাপক অভিজ্ঞান ভট্টাচাৰ্য, সমল ব্যক্তিৰূপে উপস্থিত থাকে।

০০০

ইংলেণ্ডে চেন্নাইৰ এম এ চিদাম্বৰম ষ্টেডিয়ামত অনুষ্ঠিত ৫ খনীয়া টি টুৱেণ্টি ক্ৰিকেট শৃংখলাৰ দ্বিতীয়খন খেলত ভাৰতক জয়ৰ বাবে ১৬৬ ৰাণৰ লক্ষ্য বান্ধি দিছে। ইংলেণ্ডে খেলখনত  প্ৰথমে বেট ধৰাৰ আমন্ত্ৰণ লাভ কৰি নিৰ্ধাৰিত ২০ অভাৰত ৯ টা উইকেট হেৰুৱাই ১৬৫ ৰাণ সংগ্ৰহ কৰে। প্ৰত্যুত্তৰত  ভাৰতে আমালৈ বাতৰি অহাৰ পৰলৈকে ৬ অভাৰত ৩ টা উইকেট হেৰুৱাই ৫৯ ৰাণ সংগ্ৰহ কৰি খেলি আছিল।

০০০

সমাপ্ত